
দৈনিক অসম
দেওবৰীয়া চ'ৰা
DAINIK ASAM, 5 FEBRUARY, 2012

# জাতিস্মৰ



জীৱন ■ জিতুমণি পাঠক

মৃত্যুৰ পিছত জীৱন'— এই ধাৰণা অতিকৈ প্ৰাচীন। ইতিহাসে ঢুকি নোপোৱা কোনোবা এক ক্ষণত বান্দৰ সদৃশ কিছুমান প্ৰাণীয়ে বিৱৰ্তনৰ জখলা বগাই 'মানুহ' হিচাপে নিজৰ এক সুকীয়া পৰিচয় গঢ়ি তুলিছিল। 'মানৱত্ব' প্ৰাপ্তিৰ লগে লগে তেওঁলোকৰ মনত চাগে দোলা দি গৈছিল জীৱন-মৃত্যুৰ ৰহস্যাই। তেওঁলোকেও চাগে বিশ্বাস কৰিছিল মৃত্যু মানেই জীৱনৰ অন্ত নহয়। মৃত্যুৱে মাথোঁ শৰীৰটোৰহে বিলোপ ঘটায়, অবিনশ্বৰ আত্মা কিন্তু থাকি যায় একেদৰেই। সেই আত্মাকো চাগে প্ৰয়োজন হয় খাদ্যৰ, বাসস্থানৰ, দৈনন্দিন জীৱনৰ ব্যৱহাৰ্য সামগ্ৰীবোৰৰ। সেয়েহে প্ৰাগৈতিহাসিক যুগৰ গুহাবাসী নিয়েণ্ডাৰথেল মানৱবোৰেও হয়তো পাহৰি যোৱা নাছিল সমাধিস্থ কৰা মৃতকৰ সৈতে গুঁজি দিবলৈ খাদ্যদ্ৰব্য, শিলৰ অস্ত্ৰ-শস্ত্ৰ নতুবা বাসস্থান হিচাপে পুতি দিবলৈ এডোখৰ দীঘলীয়া শিল।

সময়ৰ লগে লগে সেই গুহাবাসী বৰ্বৰ-যাযাবৰী মানুহবোৰ এদিন সভ্য হৈ উঠিল। কিন্তু তথাপি সলনি নহ'ল শাশ্বত সেই ধাৰণাৰ। বৰঞ্চ উৰ্বৰ মস্তিষ্কই সৃষ্টি কৰিলে নতুন নতুন সংকল্পনাৰ। ভাৰতীয় দৰ্শনতো আত্মাৰ অবিনশ্বৰতা হৈ পৰিল এক মূল আধাৰ। সেয়েহে মহাভাৰতত বৰ্ণিত প্ৰতিশোধপৰায়ণা অম্বাই শিখণ্ডীৰূপে পুনৰ জন্ম গ্ৰহণ কৰি ভীষ্ম বধৰ সহায়ক হোৱা কাহিনীক মানি লোৱাত কোনেও দ্বিধাবোধ নকৰিলে। বিজ্ঞান-প্ৰযুক্তিৰ এই অভাৱনীয় জয়যাত্ৰাৰ সময়তো আমি বিষ্ণুৰ নটা অৱতাৰক মানি লোৱাই নহয়, দশম অৱতাৰ কল্কিৰ বাবেও যেন অপেক্ষাৰত!

প্ৰতিটো জীৱদেহৰ বাবে মৃত্যু এক অমোঘ সত্য। জন্মৰ লগে লগে জীৱদেহত ভৰ কৰেহি আত্মাই। অবিনশ্বৰ আত্মাৰ বাবে প্ৰতিটো জীৱদেহ যেন ক্ষন্তেক জিৰণিৰ স্থল। সময়ে জীৰ্ণ কৰা দেহক পৰিত্যাগ কৰি আত্মাই থিতাপি লয় নতুন নতুন শৰীৰত। এয়া এক নিৰন্তৰ প্ৰক্ৰিয়া। নতুন দেহ এটিত থিতাপি লোৱাৰ লগে লগে পুৰণি দেহটোৰ সৈতে সম্পৃক্ত সকলো স্মৃতিয়ে মচ খাই যায়। কোৱা হয় এয়াও সৃষ্টিকৰ্তাৰে মহিমা। যদিহে নতুন শৰীৰ এটাই পূৰ্বজন্মৰ স্মৃতিৰে ভাৰাক্ৰান্ত হৈ জন্ম গ্ৰহণ কৰিবলগীয়া হ'লহেঁতেন, তেন্তে ই হয়তো নতুন শৰীৰৰ নতুন জীৱনক মানি লোৱাত এক হেঙাৰ স্বৰূপ হৈ পৰিলহেঁতেন। সেয়েহে চাগে তেওঁ প্ৰত্যেকটো নতুন জীৱনক পূৰ্বস্মৃতিৰপৰা নিলগাই ৰাখিবলৈ আঁৰি থয় একোখন ক'লা ডাঠ কাপোৰ।

কিন্তু মাজে মাজে যেন সেই স্বাভাৱিক প্ৰক্ৰিয়াৰ ব্যতিক্ৰম ঘটে। জন্ম গ্ৰহণ কৰে এনে কিছুমান ব্যক্তিয়ে যিয়ে পূৰ্বজন্মৰ কিছু স্মৃতিও কঢ়িয়াই আনে নিজৰ সৈতে। এওঁলোকেই হ'ল জাতিস্মৰ। এনে ব্যতিক্ৰম সৃষ্টিকৰ্তাৰ নিয়মত কিয় ঘটে সেয়া এক নুবুজা সাঁথৰ। বিশ্বৰ সকলো প্ৰান্ততে এই জাতিস্মৰৰ জন্ম কাহিনী নিৰন্তৰ ঘটি আছে। সমাজৰ বৃহৎ এক অংশই এই অস্বাভিৱকতাক স্বাভাৱিকভাৱেই মানি লৈছে। বৌদ্ধধৰ্মী লোকসকলৰ মাজত পুনৰ জনম সম্পৰ্কে এক গভীৰ বিশ্বাস থকা পৰিলক্ষিত হয়। তেওঁলোকে বিশ্বাস কৰে যে প্ৰতিগৰাকী 'দালাই লামা'ই তেওঁৰ পূৰ্বজন্মৰ স্মৃতি লৈ জন্মগ্ৰহণ কৰে। ১৩৫১ খ্ৰীষ্টাব্দৰ পিছৰে পৰাই তেওঁলোকে প্ৰতিগৰাকী দালাই লামাক এই প্ৰক্ৰিয়াৰে বিচাৰি উলিয়াইছিল। তেওঁলোকে অৱগত কৰা তথ্য অনুযায়ী নতুন দালাই লামা হিচাপে জন্মগ্ৰহণ কৰা শিশু এটিয়ে শেষৰজন দালাই লামাৰ জীৱনৰ এনে কিছুমান ব্যক্তিগত দিশৰ উন্মোচন কৰে, যি মাথোঁ তেওঁ বা তেওঁৰ অতিকৈ ঘনিষ্ঠজনৰহে জনাটো সম্ভৱ। এনে ধৰণৰ ঘটনাৰ উদাহৰণ কেৱল বৌদ্ধধৰ্মী লোকসকলৰ মাজতে সীমাবদ্ধ নহয়; বৰঞ্চ ক'ব পাৰি ই এক এনে পৰিঘটনা, যি স্থান-কাল নিৰ্বিশেষে বাৰে বাৰে নিজৰ অস্তিত্ব জাহিৰ কৰি আহিছে।

পূৰ্বজন্মৰ কাহিনী কিমান সঁচা বা কিমান মিছা, সেই লৈ বৌদ্ধিক মহলতো এক স্পষ্ট বিভাজনৰ সৃষ্টি হৈছে। বৈজ্ঞানিক সমাজত পূৰ্বজন্মৰ অধ্যয়ন এক গৱেষণাৰ বিষয় হৈ পৰিছে। পূৰ্বজন্ম অধ্যয়নৰ 'গুৰু' হিচাপে স্বীকৃত বিশিষ্ট মনোবিজ্ঞানী ডঃ আয়ান ষ্টিভেনছনে তেওঁৰ এক বিস্তৃত গৱেষণাত প্ৰায় তিনি হাজাৰ এনে জাতিস্মৰ শিশুৰ জীৱনৰ তথ্য সংগ্ৰহ কৰিছিল। তেওঁ প্ৰতিজন জাতিস্মৰ শিশুৰ বক্তব্য সমূহ লিপিবদ্ধ কৰি সেইবোৰ বৈজ্ঞানিক ৰূপেৰে বিশ্লেষণ কৰি চাইছিল। সেই অধ্যয়নৰ সময়ছোৱাত তেওঁ বহুতো আকৰ্ষণীয় ঘটনা উন্মোচন কৰিবলৈও সক্ষম হৈছিল। জাতিস্মৰ শিশু এটিয়ে যিগৰাকী মৃত ব্যক্তিৰ 'নৱৰূপ' বুলি নিজকে ঘোষণা কৰে, ডঃ আয়ানে বহু সময়ত তেনে মৃত ব্যক্তি এগৰাকী বিচাৰি উলিয়াবলৈ সক্ষম হৈছিল। আনকি শিশুবোৰৰ বক্তব্যৰ সৈতে মিল থকা বহুতো আনুষংগিক ঘটনা মৃত ব্যক্তিবোৰৰ জীৱনত ঘটা বুলিও প্ৰমাণিত হৈছিল। তাতোকৈও আশ্চৰ্যজনক কথা আছিল যে মৃত ব্যক্তি এগৰাকীৰ শৰীৰত থকা কটা দাগ বা বিকল অংগও নতুন জনম লাভ কৰা শিশুবোৰৰ গাত স্পষ্টভাৱে পৰিস্ফুট হৈ উঠা পৰিলক্ষিত হৈছিল। পুনৰ জনমক একাষাৰে অস্বীকাৰ কৰা যিকোনো লোককো এনেধৰণৰ কাকতালীয় সাদৃশ্যই এখন্তেক হ'লেও ভাবিবলৈ বাধ্য কৰাব।

পুনৰ জনমৰ সত্যতাক লৈ বৈজ্ঞানিক মহলত এতিয়ালৈ যিমানদূৰ চিন্তা-চৰ্চা হৈছে, তাত ইয়াক অস্বীকাৰ কৰা লোকৰ সংখ্যাই সৰহ। যিদৰে পুনৰ জনমক বিশ্বাস কৰাসকলে ইয়াৰ সত্যতাক প্ৰতিপন্ন কৰিবলৈ দাঙি ধৰিছে তথ্যগত প্ৰমাণৰ পাহাৰ, ঠিক সেইদৰে ইয়াৰ বিৰোধিতা কৰাসকলে থিয় কৰাইছে কিছুমান অকাট্য যুক্তি। জাতিস্মৰৰ কাহিনীক তেওঁলোকে বিশ্লেষণ কৰি উলিয়াইছে এনেধৰণে ঃ

(ক) ই এক ফেণ্টাছী ঃ নিজৰ পৰিৱেশৰ প্ৰতিকূলতাৰ পৰা ৰেহাই পোৱাৰ বাবে ই এক কল্পনাপ্ৰৱণ মনৰ সৃষ্টি।

(খ) প্ৰৱঞ্চনাৰ মনোভাব ঃ শিশু বা পৰিয়ালৰ লোকসকলে মিলি নিজৰ ব্যক্তিগত লাভালাভৰ বাবে সৃষ্টি কৰা ই কিছুমান মনে সজা কাহিনী।

(গ) ই এক মনোৰোগ ঃ মনোৰোগবিদসকলে নিজস্ব বিশ্লেষণেৰে ইয়াক Paramensia নামেৰে এটা মনোৰোগ হিচাপে চিনাক্ত কৰিছে। এনে ৰোগত আক্ৰান্ত ব্যক্তিয়ে নতুন ব্যক্তি বা নতুন ঠাই দেখিলে অনুভৱ কৰে যে উক্ত ব্যক্তিগৰাকী বা ঠাইডোখৰ তেওঁৰ পূৰ্বৰে চিনাকি।

মৌলানা আজাদ মেডিকেল কলেজৰ ফৰেনছিকবিদ ডঃ অনিল আগৰৱালাই তেওঁৰ বক্তব্যত কৈছিল যে আজি য'ত টেষ্ট টিউব বেবীৰ জন্ম হ'বলৈ লৈছে, তাত আত্মাৰ অংশগ্ৰহণৰ কোনো সুবিধাই নাথাকে। তাতে আকৌ ক্ল'নিঙে আত্মাৰ অস্তিত্বক সম্পূৰ্ণৰূপে নুই কৰিছে। এনে এক প্ৰেক্ষাপটত জাতিস্মৰৰ কাহিনী এক কল্পনাপ্ৰৱণ মনৰ সৃষ্টিৰ বাহিৰে আন একো নহয়। কিন্তু একে সময়তে দেখা গৈছে যে পুনৰ জনমক অস্বীকাৰ কৰি যিবোৰ বিশ্লেষণ আগবঢ়োৱা হৈছে সেইবোৰে এই সকলোবোৰ কাহিনীক একাষাৰে 'না' কৰি দিবলৈ পৰ্যাপ্ত নহয়। সাধাৰণতে কোৱা হয় যে ৩ৰ পৰা ৫ বছৰ বয়সৰ শিশুৰ মাজতেই এই পূৰ্বজন্মৰ কাহিনীসমূহ সীমাবদ্ধ হৈ থাকে। কেতিয়াবা হয়তো তাতকৈ অধিক বছৰ বয়সলৈ শিশু এজনে নিজৰ পূৰ্বজন্মৰ স্মৃতি ৰোমন্থন কৰিব পাৰে। কিন্তু সত্তৰ বছৰ বয়সীয়া বৃদ্ধ এজনে যেতিয়া নিজৰ পূৰ্বজন্মৰ নাম, পৰিচয়সহ আগৰ জন্মৰ প্ৰতিটো কথাই স্পষ্ট ৰূপত দাঙি ধৰে, তেতিয়া সকলোৰে আশ্চৰ্যচকিত হোৱাৰ বাহিৰে আন উপায় নাথাকে। যেতিয়া উত্তৰ ভাৰতৰ এগৰাকী ছোৱালীয়ে কোনোদিনেই সংস্পৰ্শলৈ নহা বাংলাভাষা অনৰ্গল কৈ নিজকে বহু বছৰ আগতে মৃত্যু হোৱা 'সাৰদা' নামৰ ছোৱালীজনী বুলি কয়, তেতিয়া ইয়াৰ বিশ্লেষণ কিদৰে আগবঢ়াব পৰা যায় তাক ঠাৱৰ কৰা কঠিন হ'ব পৰে। Paramensia নামৰ 'মেমৰী ডিছঅৰ্ডাৰ'ত হয়তো কোনো পৰিৱেশ বা ব্যক্তি পূৰ্বৰ চিনাকি যেন অনুভৱ হ'ব পাৰে। কিন্তু পৰিয়ালৰ বা ওচৰ-চুবুৰীয়াৰ নামসমূহনো এনে ব্যক্তিয়ে কিদৰে সঠিক ৰূপত ক'ব পাৰে, তাৰ কোনো বৈজ্ঞানিক ব্যাখ্যা এতিয়ালৈ আমাৰ হাতত নাই। বহুতো মানুহৰ মাজৰ পৰা নিজৰ পূৰ্বজন্মৰ মাক-দেউতাক বা আন আত্মীয়ক চিনাক্ত কৰি উলিওৱাটোও তেনে এক বিশ্লেষণহীন ঘটনা। তদুপৰি এনে ব্যক্তিৰ প্ৰতি যি প্ৰৱঞ্চনাৰ অভিযোগ উত্থাপিত হয়, তেনে তিনিৰ পৰা পাঁচ বছৰীয়া শিশুটিক কি জাগতিক বা মানসিক প্ৰলোভনে তেনেধৰণে প্ৰৱঞ্চিত কৰিবলৈ প্ৰলোভিত কৰে সেয়াও চিন্তনীয় বিষয়। মুঠৰ ওপৰত পুনৰ জন্ম বা এই জাতিস্মৰৰ কাহিনীসমূহ এতিয়াও এক বিতৰ্কিত বিষয় আৰু ইয়াক একাষাৰে নুই কৰিব পৰাকৈ বা মানি লোৱাব পৰাকৈ কোনো পক্ষৰ হাততে পৰ্যাপ্ত পৰিমাণৰ তথ্য-প্ৰমাণ নাই। সাধাৰণ অৱস্থাত আজিৰ অধিকাংশ শিক্ষিত লোকেই এই ঘটনাসমূহক অদ্ভুত, অবাস্তৱ বুলি জ্ঞান কৰে যদিও বহু সময়ত ঘটা কিছুমান ঘটনাৰ সঠিক বিশ্লেষণ আগবঢ়াব নোৱাৰাৰ বাবে ইয়াক অবাস্তৱ, মনেসজা কাহিনী বুলি সমাজৰ সকলো শ্ৰেণীৰ লোককে পতিয়ন নিয়াবলৈ সক্ষম হোৱা নাই। যাৰ ফলত ভিন্ন ভিন্ন ঠাইত, ভিন্ন ভিন্ন সময়ত এনে জাতিস্মৰৰ জন্ম হয়েই আছে আৰু যেতিয়ালৈকে জাতিস্মৰৰ সকলোবোৰ কাহিনীৰ এক যুক্তিনিষ্ঠ বিশ্লেষণ আগবঢ়াব পৰা নাযাব, তেতিয়ালৈ এনে ধৰণৰ জাতিস্মৰৰ জন্ম হয়েই থাকিব।

